**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১১ বছৰত দেশৰ শক্তিখণ্ডৰ আমূল পৰিৱৰ্তন হোৱা বুলি প্ৰকাশ কৰিছে।

২। সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি বিশ্বজুৰি প্ৰচাৰৰ বাবে গঠন কৰা সাতটা বহুদলীয় প্ৰতিনিধি দলৰ ভিতৰত চাৰিটা দলে সফল ভ্ৰমণ সামৰি স্বদেশলৈ উভতি আহিছে।

৩। যোৱা দুদিন ধৰি অসমত বতৰ ফৰকাল হৈছে যদিও ২১ খন জিলাৰ ৬ লাখ ৩০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে।

৪। লিবাৰেল ডেম’ক্ৰেটিক পাৰ্টীৰ নেতা লি জে ম্যাঙে আজি দক্ষিণ কোৰিয়াৰ একবিংশ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰে।

আৰু

৫। ভাৰতৰ গ্ৰেণ্ড মাষ্টাৰ অৰ্জুন এৰিগেইছিয়ে নৰৱে দবা প্ৰতিযোগিতাৰ অষ্টম ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১১ বছৰত বহনসাধ্য আৰু নিকা শক্তিৰ লক্ষ্যৰে দেশৰ শক্তিখণ্ডৰ আমূল পৰিৱৰ্তন সাধন কৰা বুলি প্ৰকাশ কৰিছে। পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে এখন দৈনিক বাতৰি কাকতৰ বাবে লিখা এটা নিবন্ধৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে এনে প্ৰচেষ্টাৰ জৰিয়তে খণ্ডটোত সংস্কাৰ, সেউজ উদ্যম প্ৰৱৰ্তন কৰা হৈছে আৰু আত্ম নিৰ্ভৰশীলতাত গুৰুত্ব আৰোপ কৰা হৈছে। শ্ৰী পুৰীয়ে তেওঁৰ নিবন্ধটোত আত্মনিৰ্ভৰশীলতাৰ অবিৰত প্ৰচেষ্টাৰ বলত ভাৰত বিশ্বৰ সবাতোকৈ দ্ৰুত বিকাশশীল গুৰুত্বপূৰ্ণ অৰ্থ ব্যৱস্থাৰূপে পৰিগণিত হোৱাই নহয়, বৰং কৌশলগত শক্তিৰূপেও আত্মপ্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে শক্তিখণ্ড দেশৰ এই উত্থানত অবিচ্ছেদ্য অংগ।

০০০০০০০০০

অপাৰেচন সিন্দূৰৰ অধীনত অব্যাহত থকা সন্ত্ৰাসবাদ বিৰোধী কামকাজ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি বিশ্বজুৰি প্ৰচাৰৰ বাবে গঠন কৰা সাতটা বহুদলীয় প্ৰতিনিধি দলৰ ভিতৰত চাৰিটা দলে সফল ভ্ৰমণ সামৰি স্বদেশলৈ উভতি আহিছে। ভ্ৰমণকালত দলকেইটাই সংশ্লিষ্ট ৰাষ্ট্ৰসমূহৰ নেতৃবৰ্গ, জ্যেষ্ঠ বিষয়া, প্ৰভাৱশালী চিন্তাবিদ, সংবাদমাধ্যম আৰু প্ৰবাসী ভাৰতীয়সকলক সাক্ষাৎ কৰে।

শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেৰ নেতৃত্বত বহুদলীয় প্ৰতিনিধি দলটো আজি পুৱা সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ইউ এ ই, লাইবেৰিয়া, কংগো গণতান্ত্ৰিক গণৰাজ্য আৰু ছিয়েৰা লিঅ’নিৰ ভ্ৰমণ সামৰি নতুন দিল্লীত উপস্থিত হয়। এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলেৰ নেতৃত্বত বহুদলীয় প্ৰতিনিধি দলটোৱে ভ্ৰমণ কালত দলটোৱে কাটাৰ, দক্ষিণ আফ্ৰিকা, ইথিঅ’পিয়া আৰু ইজিপ্তৰ ভ্ৰমণ সম্পূৰ্ণ কৰি আজি বিয়লি দেশলৈ ঘূৰি অহাৰ কথা। ইপিনে, বিজেপি সাংসদ ৰবিশংকৰ প্ৰসাদ নেতৃত্বাধীন বহুদলীয় প্ৰতিনিধি দলটো সম্প্ৰতি বেলজিয়ামৰ ৰুছেল্‌ছত ইউৰোপীয় সংঘৰ মুখ্য কাৰ্যালয়ত আছে। ইউৰোপীয় সংঘ পৰ্যায় আৰু বেলজিয়াম কৰ্তৃপক্ষৰ সৈতে হোৱা আলোচনাত সীমান্তৰে চলা সন্ত্ৰাসবাদকে ধৰি সন্ত্ৰাসবাদৰ বিভীষিকা আৰু অলপতে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়কেইটাই স্থান লাভ কৰিছে। কংগ্ৰেছ সাংসদ শশী থাৰুৰ নেতৃত্বৰ আন এটা প্ৰতিনিধি দল আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংসদ তথা প্ৰশাসনৰ সদস্য, চিন্তাবিদ, নীতি প্ৰণেতা আৰু সংবাদ জগতৰ বিশিষ্ট ব্যক্তিসকলক সাক্ষাৎ কৰি অপাৰেচন সিন্দূৰ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্দে ভাৰতৰ শক্তিশালী স্থিতিৰ বিষয়ে অৱগত কৰোৱাৰ উদ্দেশ্যে ৱাচিংটন ডিচিত উপস্থিত হৈছে।

০০০০০০০০০

যোৱা দুদিন ধৰি অসমত বতৰ ফৰকাল হৈছে যদিও ২১ খন জিলাৰ ৬ লাখ ৩০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ এহেজাৰ ৫০৬ খন গাঁৱৰ ১৪ হাজাৰ ৭৩৯ হেক্টৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ২২৩ টা আশ্ৰয় শিবিৰত ৩৯ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনত সাম্প্ৰতিক বানত কমেও ১২ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত হাইলাকান্দি, শ্ৰীভূমি, মৰিগাঁও, কাছাৰ, শোণিতপুৰ আৰু তিনিচুকীয়া জিলাত এজনকৈ লোকৰ বানৰ ফলত মৃত্যু হয়। বানত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে।

ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অধিকাংশ প্লাবিত কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ ঘাঁহনি অঞ্চলসমূহ পানীত বুৰ যোৱাত পহু, গঁড়, হাতীকে ধৰি অন্যান্য জীৱ-জন্তুৱে বানৰ পৰা ৰক্ষা পোৱাৰ লগতে খাদ্যৰ সন্ধানত ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰা পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজেৰে যোৱা ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমগ্ৰ অংশটোৰ চাৰিওকাষে পানী বিপদসীমাৰ ওপৰত থকাৰ পৰিপ্ৰেক্ষিতত কলিয়াবৰ সমজিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ আৰু সমজিলা আয়ুক্তই বন্যপ্ৰাণী সুৰক্ষা তথা জনসাধাৰণৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এটা নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে চলাচল কৰা বাহনৰ গতিবেগ প্ৰতিঘণ্টাত ৪০ কিলোমিটাৰতকৈ অধিক হ'ব নোৱাৰিব। একেদৰে এনিমেল কৰিডৰত পাঁচজনতকৈ অধিক লোক সমবেত হোৱাত নিষেধাজ্ঞা জাৰি কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজত গধূৰ বাহন ৰখোৱাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি কলিয়াবৰ সমজিলাৰ অধীনত এনিমেল কৰিডৰসমূহত নিশাৰ ভাগত উজ্বল লাইটৰ ব্যৱহাৰ আৰু উচ্চ প্ৰাবল্যত গান বা গাড়ীৰ হৰ্ন বজোৱাত কঠোৰভাৱে নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, গোৱালপাৰা, ডিমা হাচাও, পশ্চিম কাৰ্বি আংলং, লখিমপুৰ, ধেমাজি, কাছাৰ, হাইলাকান্দি আৰু কোকৰাঝাৰ জিলাৰ ঠাই বিশেষে ধাৰাসাৰ বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণ তথা তাৰ প্ৰত্যুত্তৰত অপাৰেচন সিন্দূৰৰ জৰিয়তে দেশে পাকিস্তানত চলোৱা অভিযানৰ পাছত প্ৰথমবাৰলৈ মন্ত্ৰী পৰিষদৰ বৈঠক আয়োজিত হৈছে।

ooooooooo

প্ৰধানমন্ত্ৰীৰ মুখ্য সচিব ড° পি কে মিশ্ৰই কালি জেনেভাত অনুষ্ঠিত অষ্টম দুৰ্যোগ শংকা প্ৰশমনৰ আন্তৰ্জাতিক মঞ্চত গোলকীয় দুৰ্যোগ প্ৰতিৰোধী প্ৰচেষ্টাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা দোহাৰে। প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ এটা বিবৃতিত প্ৰকাশ পোৱা অনুসৰি ড° মিশ্ৰই নৰৱেৰ আন্তঃৰাষ্ট্ৰীয় বিকাশ উপ-মন্ত্ৰী শ্ৰীমতী ষ্টাইন ৰিণেট হেয়হিমৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হৈ দুৰ্যোগ শংকা প্ৰশমনৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। তেওঁ লগতে এই অনুষ্ঠানৰ উদ্বোধনী কাৰ্যসূচীত অংশগ্ৰহণ কৰি দুৰ্যোগ প্ৰস্তুতি ক্ষেত্ৰত ভাৰতৰ সক্ৰিয় দৃষ্টিভংগীৰ ওপৰত আলোকপাত কৰে। তদুপৰি ড° মিশ্ৰই অধিক শক্তিশালী তথা নিৰাপদ ভৱিষ্যতৰ হকে মিত্ৰতা ত্বৰান্বিত কৰাৰ প্ৰতি ভাৰতৰ নিষ্ঠা পুনৰ নিশ্চিত কৰে।

ooooooooo

লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিৰ নেতা লি জে ম্যাঙে আজি দক্ষিণ কোৰিয়াৰ একবিংশ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰে। তেওঁৰ কাৰ্যকাল ৫ বছৰীয়া হ'ব। দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰীয় নিৰ্বাচন আয়োগ আজি পুৱা এখন বৈঠকত মিলিত হয় আৰু কালি অনুষ্ঠিত ৰাষ্ট্ৰপতি নিৰ্বাচনত লি বিজয় হোৱাৰ কথা সুনিশ্চিত কৰে। শ্ৰী লিয়ে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কনজাৰ্ভেটিভ পিপ'ল পাৱাৰ পাৰ্টিৰ কিম মুন চুক পৰাস্ত কৰে।

ৰাষ্ট্ৰপতি নিৰ্বাচনত জয় হোৱাৰ পাছত লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিৰ নেতাগৰাকীয়ে তেওঁৰ সমৰ্থকসকলৰ আগত কয়, যে বিদ্ৰোহ নিয়ন্ত্ৰণ কৰাটো তেওঁৰ প্ৰথম লক্ষ্য হ'ব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোৰিয়া গণৰাজ্যৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত লী-জ্যে-মিয়ুঙক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত কোৰিয়াৰ বিশেষ কৌশলগত মিত্ৰতা শক্তিশালী তথা ত্বৰান্বিত কৰি তোলাৰ উদ্দেশ্যে একেলগে কাম কৰি যাবলৈ তেওঁ আগ্ৰহী।

০০০০০০০০০

অষ্ট্ৰেলিয়াৰ উপ-প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্ল্ছে আজি দিল্লীৰ মানেকশ্ব' কেন্দ্ৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক সাক্ষাৎ কৰে। এই উপলক্ষে শ্ৰী মাৰ্ল্ছক আনুষ্ঠানিকভাৱে অভিবাদন জনোৱা হয়। অষ্ট্ৰেলিয়াৰ উপ-প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি দিল্লীত থকা ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকতো পুষ্পাৰ্ঘ্য নিবেদন কৰে।

০০০০০০০০০

পাঁচদিনীয়া বাৰ্ষিক হজ যাত্ৰা আজি আৰম্ভ হৈছে। এই যাত্ৰাৰ অংশ হিচাপে ভাৰতসহ বিশ্বৰ বিভিন্ন প্ৰান্তৰ মুছলমান সম্প্ৰদায়ৰ প্ৰায় ১৮ লাখ লোক পবিত্ৰ ছৌদি আৰবৰ মিনাত সমবেত হ'ব। হজযাত্ৰীসকলে আজি নিশাটো মিনাত কটাব আৰু হজৰ মূল নিয়ম নামাজ পঢ়াৰ বাবে কাইলৈ দোকমোকালিতে আৰাফৎ অভিমুখে ৰাওনা হ'ব। ইয়াৰ পূৰ্বে সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যমযোগে প্ৰতিগৰাকী ভাৰতীয় হজ যাত্ৰীৰ বাবে আৰামদায়ক আৰু মৰ্যাদাপূৰ্ণ যাত্ৰা সুনিশ্চিত কৰাৰ উদ্দেশ্যে মন্ত্ৰালয়ে অহৰহ কাম কৰি থকা বুলি প্ৰকাশ কৰিছিল। ভাৰতীয় হজযাত্ৰীসকলৰ বাবে হজ সুবিধা ম'বাইল এপৰ জৰিয়তে তথ্য যোগান আৰু ওজৰ আপত্তি দাখিলৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

ৰেপোৰেট হ্ৰাস সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ উদ্দেশ্যে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰানীতি সমিতিৰ বৈঠক আজি আৰম্ভ হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাৰ অধ্যক্ষতাৰ সমিতিখনৰ সিদ্ধান্ত অহা শুকুৰবাৰলৈ ঘোষণা কৰা হ'ব। বিশিষ্ট অৰ্থনীতিবিদ তথা বিশ্লেষকসকলৰ পূৰ্বানুমান অনুসৰি কেন্দ্ৰীয় বেংকটোৱে ৰেপ'ৰেট তৃতীয় বাৰৰ বাবে ২৫ বেচিচ পইণ্ট হ্ৰাস কৰি ৫দশমিক ৭ - ৫ শতাংশ কৰাৰ সম্ভাৱনা আছে। আনহাতে, ভাৰতীয় ষ্টেট বেংকৰ সদ্য প্ৰকাশিত এখন প্ৰতিবেদনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰাজনিত নীতিত ৰেপ'ৰেট ৫০ বেচিচ পইণ্ট হ্ৰাস কৰাৰ অনুমান কৰা হৈছে। উল্লেখযোগ্য যে ভাৰতীয় ৰিজাৰ্ভ বেংকে পূৰ্বৰ দুটা মুদ্ৰাজনিত নীতি সমীক্ষাত ৰেপ'ৰেট ৫০ বেচিচ পইণ্ট হ্ৰাস কৰি ৬ শতাংশ কৰিছে।

০০০০০০০০০

ভাৰতৰ গ্ৰেণ্ড মাষ্টাৰ অৰ্জুন এৰিগেইছিয়ে যোৱানিশা আমেৰিকাৰ গ্ৰেণ্ড মাষ্টাৰ ফেবিয়ান'ক কেৰোৱানাক পৰাস্ত কৰি নৰৱে দবা প্ৰতিযোগিতাৰ অষ্টম ৰাউণ্ডত প্ৰৱেশ কৰে। বগা গুটিৰে খেলা অৰ্জুনে খেলৰ অন্তিম সময়ত অঘটন ঘটাই বিজয় সাব্যস্ত কৰে। ইপিনে, বিশ্ব চেম্পিয়ন ডি গুকেশ কালি অষ্টম ৰাউণ্ডত আমেৰিকাৰ গ্ৰেণ্ড মাষ্টাৰ হিকাৰু নাকামোৰাৰ হাতত পৰাজিত হয়।

০০০০০০০০০

সমাপ্ত